# অসম্পূৰ্ণ নথিৰ পৰা হিচাপ
## (Accounts from Incomplete Records)

11

**শিকাৰ উদ্দেশ্য**

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে জানিবলৈ সক্ষম হবা -

* অসম্পূৰ্ণ নথিৰ অৰ্থ আৰু বৈশিষ্ট্য
* আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰি লাভ-লোকচান নিৰ্ণয়
* উদ্বৃত্ত পত্ৰ আৰু আৰ্থিক অৱস্থাৰ বিবৃতিৰ মাজত পাৰ্থক্য
* অসম্পূৰ্ণ নথিৰ পৰা ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুতকৰণ
* সংশ্লিষ্ট হিচাপ প্ৰস্তুত কৰি লুপ্ত তথ্য বা সংখ্যা নিৰ্ণয়।

আমি ইতিমধ্যে হিচাপৰক্ষণৰ দ্বি-প্ৰবিষ্টি পদ্ধতি অনুসৰণ কৰি হিচাপ ব্যৱস্থা ৰখা প্ৰতিষ্ঠান সমূহৰ হিচাপ সম্পৰ্কে অধ্যয়ন কৰিলো। আমি জানিব পাৰিছো যে সকলোবোৰ ব্যৱসায়ীক গোটে এই পদ্ধতি অনুসৰণ কৰে। বাস্তৱ ক্ষেত্ৰত প্ৰতিটো প্ৰতিষ্ঠানে দৃঢ়ভাৱে দ্বি-প্ৰবিষ্টি পদ্ধতিৰ নিয়ম অনুসৰি হিচাপকৰণ নকৰে। বহুতো সৰু আকাৰৰ প্ৰতিষ্ঠানে তেওঁলোকৰ হিচাপসমূহ অসম্পূৰ্ণ ভাৱে লিপিবদ্ধ কৰে। কিন্তু এনেবোৰ প্ৰতিষ্ঠানেও বছৰৰ শেষত লাভ-লোকচান আৰু আৰ্থিক অৱস্থা নিৰ্ণয় কৰে। আমি এই অধ্যায়ত সেইবোৰ প্ৰতিষ্ঠানৰ লাভ-লোকচান আৰু আৰ্থিক অৱস্থা নিৰ্ণয়ৰ পদ্ধতি আলোচনা কৰিম। যিবোৰে দ্বি-প্ৰবিষ্টি হিচাপকৰণ পদ্ধতি অনুসৰণ নকৰে অৰ্থাৎ হিচাপসমূহ অসম্পূৰ্ণ পদ্ধতিত লিপিৱদ্ধ কৰে।

### 11.1 অসম্পূৰ্ণ নথি বা লিপিবদ্ধকৰণৰ অৰ্থ (Meaning of Incomplete records)

হিচাপৰ দ্বি-প্ৰবিষ্টি পদ্ধতি অনুসৰণ কৰি হিচাপকৰণৰ তথ্যসমূহ যদি ৰখা নহয় তেনে নথিক অসম্পূৰ্ণ নথি বা অলিপিবদ্ধকৰণ বুলি কোৱা হয়। বহুতো লেখকে ইয়াক

এক প্ৰবিষ্টি পদ্ধতি হিচাপে বৰ্ণনা দিছে। যিয়েই নহওঁক এক প্ৰবিষ্টি পদ্ধতি হ'ল এটা ভূল নাম কাৰণ ইয়াত হিচাপৰ কোনো পদ্ধতি অনুসৰণ কৰা নহয়। ই এটা দ্বি-প্ৰবিষ্টি পদ্ধতিৰ বিকল্প হিচাপে কোনো চমু পদ্ধতিও নহয়। ই বৰং হিচাপৰক্ষণৰ এনে এটি কৌশল য'ত কিছুমান লেনদেনৰ উপযুক্ত ডেবিট আৰু ক্ৰেডিট দুয়োটা দিশ, আন কিছুমান লেনদেনৰ মাথোন এটা দিশ লিপিবদ্ধ কৰা হয় আৰু আন কিছুমান লেনদেনৰ ক্ষেত্ৰত কোনো দিশ লিপিবদ্ধ কৰা নহয়। সাধাৰণতে এই পদ্ধতিত নগদ লেনদেন; দেনাদাৰ আৰু পাওনাদাৰৰ হিচাপসমূহ উপযুক্তভাৱে ৰখা হয়। আনহাতে সম্পত্তি, দেনা, খৰচ আৰু ৰাজহ হিচাপ সমূহৰ লগত জড়িত তথ্যসমূহ আংশিকভাৱে লিপিবদ্ধ কৰা হয়। সেয়েহে এইবোৰক সাধাৰণতে অসম্পূৰ্ণ নথি বুলি কোৱা হয়।

### 11.1.1 অসম্পূৰ্ণ নথিৰ বৈশিষ্ট্যসমূহ (Features of Incomplete records)

ক্ষুদ্ৰ ব্যৱসায়ী যেনে গেলামালৰ দোকানী আৰু খুচুৰা বীক্ৰেতাৰ ক্ষেত্ৰত লেনদেনসমূহ আংশিকভাৱে লিপিৱদ্ধ কৰাকেই অসম্পূৰ্ণ নথি বুজায়। বৃহৎ ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰাকৃতিক দুৰ্যোগ, অগ্নিকাণ্ড ইত্যাদিৰ ফলস্বৰূপে হিচাপকৰণৰ তথ্য সমূহ অসম্পূৰ্ণ অৱস্থাত উপনিত হয়। অসম্পূৰ্ণ তথ্য বা লিপিবদ্ধকৰণৰ বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা হ'ল —

(ক) ই লেনদেন লিপিবদ্ধকৰণৰ এটি প্ৰণালীবিহীন পদ্ধতি।

(খ) সাধাৰণতে নগদ লেনদেন আৰু ব্যক্তিগত হিচাপ সমূহ সঠিকভাৱে ৰখা হয় আৰু ৰাজহ আৰু লাভ, ব্যয় আৰু লোকচান, সম্পত্তি আৰু দেনাৰ কোনো তথ্য ৰখা নহয়।

(গ) নগদ বহীত মালিকৰ ব্যক্তিগত লেনদেন সমূহো লিখা হ'ব পাৰে।

(ঘ) বিভিন্ন প্ৰতিষ্ঠানে তেওঁলোকৰ আৱশ্যকতা আৰু সুবিধা অনুসৰি তথ্য লিপিবদ্ধ কৰে আৰু হিচাপৰ ক্ষমতা অভাৱত এনেবোৰ প্ৰতিষ্ঠানৰ হিচাপ তুলনাযোগ্য নহয়।

(ঙ) লাভ-লোকচান নিৰ্ণয় কৰিবৰ বাবে আৱশ্যকীয় অন্য তথ্য পাৱলৈ মুখ্য প্ৰমাণকৰ পৰা তথ্যসমূহ সংগ্ৰহ কৰা হয়, যেনে বিক্ৰয় চালান বা ক্ৰয় চালান ইত্যাদি। অৰ্থাৎ মুখ্যতঃ প্ৰকৃত প্ৰমাণকৰ ওপৰত নিৰ্ভৰ থাকিব লগা হয়।

(চ) এই পদ্ধতিত নিৰ্ণয় কৰা লাভ বা লোকচানে উচ্চ মাত্ৰাৰ শুদ্ধতা দিব নোৱাৰে কাৰণ এই পদ্ধতিত নিৰ্ণয় কৰা লাভ বা লোকচান আনুমানিকহে। উদ্বৃত্ত পত্ৰ সম্পত্তি আৰু দেনাৰ প্ৰকৃত অৱস্থা প্ৰতিফলিত নকৰে।

## 11.2 অসম্পূৰ্ণতাৰ কাৰণ আৰু ইয়াৰ সীমাবদ্ধতা (Reasons of Incompleteness and its Limitations)

দেখা যায় যে বহুতো ব্যৱসায়ীয়ে তলত দিয়া কাৰণসমূহৰ বাবে অসম্পূৰ্ণ নথিত হিচাপ ৰাখে—

(ক) যিবিলাক ব্যক্তিৰ হিচাপকৰণৰ নীতিৰ ওপৰত যথাৰ্থ জ্ঞান নাথাকে, তেওঁলোকে এই পদ্ধতি গ্ৰহণ কৰে;

(খ) এইটো এটা কম ব্যয় সম্পন্ন পদ্ধতি। এই পদ্ধতিত ব্যয় এই কাৰণে কম যে ইয়াত কোনো বিশেষ দক্ষতা সম্পন্ন হিচাপৰক্ষক নিযুক্তি দিয়া নহয়;

(গ) এই পদ্ধতিত হিচাপসমূহ কম সময়ৰ ভিতৰত নথিভুক্ত কৰিব পাৰি কিয়নো ইয়াত মাথোন নিৰ্দ্দিষ্ট কেইটামান হিচাপ বহীহে ৰখা হয়;

(ঘ) ই হিচাপ ৰখাৰ এটি সুবিধাজনক পদ্ধতি কিয়নো ইয়াত ব্যৱসায়ৰ মালিকে ব্যৱসায়টোৰ প্ৰয়োজন অনুসৰি দৰকাৰী লেনদেনসমূহ লিপিৱদ্ধ কৰিব পাৰে।

যাহওঁক, এই পদ্ধতিটোৱে কিছুমান সীমাবদ্ধতাৰ সম্মুখীন হয়। এই সীমাবদ্ধতা হিচাপভূক্তকৰণৰ কৌশল প্ৰকৃতিৰ বাবে উদ্ভৱ হয়। বিস্তৃতভাৱে কবলৈ হ'লে হিচাপ নথিভুক্তকৰণৰ প্ৰণালীবদ্ধ কৌশল অৱলম্বন নকৰিলে নিৰ্ভৰযোগ্য আৰ্থিক বিবৃতি প্ৰস্তুত কৰিব পৰা নাযায়।

অসম্পূৰ্ণ নথিভুক্তকৰণৰ সীমাবদ্ধতা সমূহ তলত দিয়া ধৰণৰ—

(ক) যিহেতু হিচাপৰ দ্বি-প্ৰবিষ্টি পদ্ধতি অনুসৰণ কৰা নহয়, সেয়েহে উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰিব পৰা নাযায় আৰু হিচাপৰ শুদ্ধতা নিশ্চিত কৰিব পৰা নাযায়।

(খ) ব্যৱসায়িক কাৰ্যকলাপৰ আৰ্থিক ফলাফল শুদ্ধভাৱে নিৰ্ণয় আৰু সঠিকভাৱে বিশ্লেষণ কৰিব নোৱাৰি।

(গ) ব্যৱসায়ৰ লাভযোগ্যতা, তাৰল্যতা আৰু শোধক্ষমতাৰ বিশ্লেষণ কৰিব পৰা নাযায়। ইয়ে বৰ্হিজগতৰ পৰা প্ৰয়োজনীয় পুঁজি সংগ্ৰহ আৰু ব্যৱসায়ৰ ভৱিষ্যৎ কাৰ্য্যকলাপৰ বাবে পৰিকল্পনা কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰে।

(ঘ) অগ্নিকাণ্ডৰ দ্বাৰা বা চুৰিৰ ফলত মজুত পণ্যৰ লোকচান হ'লে, মালিক সকলে এই ক্ষতিৰ বাবে বীমা দাবী বীমাকোম্পানীৰ পৰা আদায় কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সম্মুখীন হ'ব লগাত পৰে।

(ঙ) গননা কৰা আয়ৰ নিৰ্ভৰযোগ্যতাৰ বিষয়ে আয়কৰ কৰ্তৃপক্ষৰ বিশ্বাসযোগ্যতা অনাত অসুবিধাৰ সৃষ্টি হয়।

## 11.3 লাভ বা লোকচান নিৰ্ণয় (Ascertainment of Profit or Loss)

প্ৰতিটো ব্যৱসায় প্ৰতিষ্ঠানে ইয়াৰ দক্ষতা, কৃতকাৰ্যতা আৰু বিফলতা নিৰ্ধাৰণ কৰিবলৈ ইয়াৰ দৈনন্দিন কাৰ্য্যকলাপৰ ফল নিৰ্ণয় কৰিব বিচাৰে। তলত দিয়া সমূহ নিৰ্ণয় কৰিবলৈ বিত্তীয় বিবৃতি প্ৰস্তুত কৰাৰ আৱশ্যক হয় —

(ক) এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত প্ৰতিষ্ঠানে কৰা লাভ অৰ্জন বা লোকচান বহন নিৰ্ণয় আৰু

(খ) হিচাপবৰ্ষৰ অন্তত সম্পত্তি আৰু দেনাৰ পৰিমাণ নিৰ্ণয়।

গতিকে, এই ক্ষেত্ৰত সম্মুখীন হোৱা সমস্যা হ'ল কোনো এটা হিচাপবৰ্ষৰ লাভ বা লোকচান নিৰ্ণয় কৰিবলৈ কেনেকৈ প্ৰাপ্ত তথ্য অসম্পূৰ্ণ নথিভুক্তকৰণ পদ্ধতিত ব্যৱহাৰ কৰা হ'ব আৰু বছৰৰ শেষত প্ৰতিষ্ঠানটোৰ বিত্তীয় অৱস্থা কেনেভাৱে নিৰ্ণয় কৰা হ'ব। এই কাৰ্য দুই ধৰণে কৰিব পাৰি—

1. বিত্তীয় বছৰৰ আৰম্ভণীত আৰু বিত্তীয় বছৰৰ শেষত আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰি। এই পদ্ধতিক আৰ্থিক অৱস্থাৰ বিবৃতি পদ্ধতি বা প্ৰকৃত সম্পত্তি পদ্ধতি বুলি কোৱা হয়।
2. সঠিক অনুক্ৰমত হিচাপৰ তথ্যসমূহ বহুৱাই ক্ৰয়-বিক্ৰয় আৰু লাভলোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰি। এই পদ্ধতিক ৰূপান্তৰ পদ্ধতি বুলি কোৱা হয়।

### 11.3.1. আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰি লাভ বা লোকচান নিৰ্ণয় (Preparing Statement of Affairs)

এই পদ্ধতি অনুসৰি বছৰটোৰ ভিতৰত হোৱা মূলধনৰ পৰিৱৰ্তনৰ পৰিমাণ নিৰ্ণয় কৰিবলৈ সংশ্লিষ্ট হিচাপবৰ্ষৰ আৰম্ভণীত আৰু হিচাপবৰ্ষৰ অন্তত সম্পত্তি আৰু দেনাৰ বিবৃতি প্ৰস্তুত কৰা হয়। এই বিবৃতিক আৰ্থিক অৱস্থাৰ বিবৃতি বুলি কোৱা হয়। ইয়াত ঠিক উদ্বৃত্ত পত্ৰৰ নিচিনাকৈ এটা দিশত দেনা আৰু আনটো দিশত সম্পত্তি দেখুওৱা হয়। দুয়োটা দিশৰ পাৰ্থক্যই হ'ল মূলধন বা প্ৰকৃত সম্পত্তি। যদিও আৰ্থিক অৱস্থাৰ বিবৃতি উদ্বৃত্ত পত্ৰ সদৃশ, ইয়াক উদ্বৃত্ত পত্ৰ বুলি কোৱা নহয় কাৰণ ইয়াৰ তথ্যসমূহ খতিয়নৰ উদ্বৃত্তৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰ নহয়। স্থায়ী সম্পত্তি, অপ্ৰদত্ত ব্যয়, বেংক উদ্বৃত্ত ইত্যাদি বিষয়ৰ তথ্য সংশ্লিষ্ট নথিপত্ৰ আৰু গণনাৰ দ্বাৰা নিৰ্ণয় কৰা হয়।

আৰ্থিক অৱস্থাৰ বিবৃতিৰ আৰ্হি তলত 11.1 তথ্যত দিয়া হ'ল—

তাৰিখৰ উদ্বৃত্ত পত্ৰ

| দেনা | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|
| প্ৰদেয় বিল | ............... | ভূমি আৰু ভৱন | ............... |
| পাওনাদাৰ | ............... | যন্ত্ৰপাতি | ............... |
| অপ্ৰদত্ত ব্যয় | ............... | আচবাব | ............... |
| মূলধন (সন্তুলীত পৰিমাণ) | ............... | মজুত পণ্য | ............... |
| | | দেনাদাৰ | ............... |
| | | নগদ আৰু বেংক | ............... |
| | | অগ্ৰিমপ্ৰদত্ত ব্যয় | ............... |
| | | মুলধন (সন্তুলীত পৰিমাণ)* | ............... |
| | XXX | | XXX |

*টোকা ঃ যেতিয়া দেনাদিশৰ মুঠ যোগফল সম্পত্তি দিশৰ মুঠ যোগফলতকৈ অধিক হয়, মূলধন সম্পত্তিৰ দিশত দেখুওৱা হয় আৰু ইয়ে মূলধনৰ ডেবিট উদ্বৃত্ত বুজায়।*

***তথ্য 11.1 ঃ আৰ্থিক অৱস্থাৰ বিবৃতিৰ আৰ্হি***

আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰি বিত্তীয় বছৰৰ আৰম্ভণীত আৰু বিত্তীয় বছৰৰ শেষত মূলধনৰ পৰিমাণ গণনা কৰাৰ পিছত বছৰটোৰ সঠিক পৰিমাণৰ লাভ বা লোকচান নিৰ্ণয় কৰিবলৈ এখন লাভ বা লোকচান বিবৃতি প্ৰস্তুত কৰা হয়। আৰম্ভণী আৰু সামৰণী মূলধনৰ পাৰ্থক্যই মূলধনৰ বৃদ্ধি বা হ্ৰাস বুজায়। বছৰটোৰ লাভ বা লোকচান নিৰ্ণয় কৰিবৰ বাবে মূলধনৰ হ্ৰাস বা বৃদ্ধিৰ লগত ব্যৱসায়ৰ মালিকে আহৰণ কৰা টকাৰ আৰু বিনিয়োগ কৰা নতুন মূলধনৰ পৰিমাণ সংযোজন কৰা হয়। লাভ বা লোকচানৰ বিবৃতি 11.2 তথ্যত দিয়া ধৰণে প্ৰস্তুত কৰা হয়।

.................. তাৰিখত অন্তপৰা বছৰৰ বাবে লাভ বা লোকচান বিবৃতি

| | বিৱৰণ | পৰিমাণ (টকা) |
|---|---|---|
| | সামৰণী মূলধন (আৰ্থিক অৱস্থাৰ সামৰণী বিবৃতি অনুসৰি) | .............. |
| যোগ, | বছৰটোৰ আহৰণ | .............. |
| বাদ, | বছৰটোৰ বিনিয়োগ কৰা নতুন মূলধন | (..............) |
| | বছৰৰ শেষৰ সংযোজিত মূলধন | .............. |
| বাদ, | বছৰৰ আৰম্ভণীৰ মূলধন (আৰম্ভণী আৰ্থিক অৱস্থাৰ বিবৃতিৰ পৰা নিৰ্ণয় কৰা হয়) | .............. |
| | বছৰটোৰ লাভ বা লোকচানৰ পৰিমাণ | .............. |

**11.2 তথ্য ঃ** *লাভ-লোকচান বিবৃতিৰ আৰ্হি*

যদি ওপৰৰ গণনাৰ পৰা পোৱা প্ৰকৃত ফলাফল ধনাত্মক হয়, ইয়াক বছৰটোৰ উপাৰ্জিত লাভ বুলি গণ্য কৰা হয়। ঠিক তেনেদৰে যদি প্ৰকৃত ফলাফল ঋণাত্মক হয়, তেতিয়া ইয়াক বছৰটোৰ লোকচান বুলি কোৱা হয়। এই গণনাটো তলত দিয়া সমীকৰণৰ দ্বাৰাও দেখুৱাব পাৰি—

লাভ বা লোকচান = সামৰণী মূলধন – আৰম্ভণী মূলধন + বছৰটোৰ আহৰণ বছৰটোৰ নতুন বিনিয়োজিত মূলধন।

উদাহৰণ— মি. চেতুৰ হিচাপৰ পৰা তলত দিয়া তথ্যসমূহ পোৱা হ'ল ঃ-

| | |
|---|---|
| বছৰৰ আৰম্ভণীৰ মূলধন অৰ্থাৎ 1 এপ্ৰিল, 2004 ৰ মূলধন | 1,20,000 টকা, |
| সামৰণী মূলধন অৰ্থাৎ 31 মাৰ্চ 2005 তাৰিখৰ মূলধন | 2,00,000 টকা, |
| বছৰটোৰ নতুনকৈ বিনিয়োগ কৰা মূলধন | 50,000 টকা, |
| বছৰটোত মালিকৰ আহৰণ | 30,000 টকা। |

বছৰটোত উপাৰ্জন কৰা লাভ বা বহন কৰা লোকচান তলত দিয়া ধৰণে গণনা কৰা হ'ব -

**উদাহৰণ** 1

31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ লাভ বা লোকচান বিবৃতি

| | বিৱৰণ | পৰিমাণ (টকা) |
|---|---|---|
| | 31 মাৰ্চ 2005 তাৰিখৰ মূলধন | 2,00,000 |
| যোগ, | বছৰৰ আহৰণ | 30,000 |
| | | 2,30,000 |
| বাদ, | বছৰৰ অতিৰিক্ত মূলধন | (50,000) |
| | সংযোজিত মূলধন | 1,80,000 |
| বাদ, | 1 এপ্ৰিল 2004 তাৰিখৰ মূলধন (আৰম্ভণী মূলধন) | (1,20,000) |
| | বছৰৰ লাভৰ পৰিমাণ | 60,000 |

মিষ্টাৰ মেহতাই 50,000 টকাৰে 1 এপ্ৰিল, 2004 তাৰিখত ৰেডিমেড কাপোৰৰ ব্যৱসায় আৰম্ভ কৰে। তেওঁ দ্বি-প্ৰবিষ্টি অনুসৰি হিচাপ ৰখা নাছিল। বছৰটোত তেওঁ 15,000 টকা নতুন মূলধন বিনিয়োগ কৰে। তেওঁ ব্যক্তিগত ব্যৱহাৰৰ বাবে 10,000 টকা আহৰণ কৰে। 31 মাৰ্চ, 2005 তাৰিখত তেওঁৰ দেনা আৰু সম্পত্তি তলত দিয়া ধৰণৰ ঃ

মুঠ পাওনাদাৰ 90,000 টকা, মুঠ দেনাদাৰ 1,25,600 টকা, মজুত 24,750 টকা, বেংক উদ্বৃত্ত 24,980 টকা।

আৰ্থিক অৱস্থাৰ বিবৃতি পদ্ধতি ব্যৱহাৰ কৰি মিষ্টাৰ মেহতাৰ ব্যৱসায়ৰ প্ৰথম বছৰৰ লাভ বা লোকচান নিৰ্ণয় কৰা।

**সমাধান ঃ**

মেহতাৰ হিচাপ বহীত
31 মাৰ্চ 2005 তাৰিখৰ আৰ্থিক অৱস্থাৰ বিবৃতি

| দেনা | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|
| পাওনাদাৰ | 90,000 | বেংক উদ্বৃত্ত | 24,980 |
| মূলধন | 85,330 | দেনাদাৰ | 125,600 |
| (সন্তুলিত পৰিমাণ) | | মজুত পণ্য | 24750 |
| | 175,330 | | 175,330 |

31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ বাবে লাভ বা লোকচান বিবৃতি

| বিৱৰণ | পৰিমাণ (টকা) |
|---|---|
| 31 মাৰ্চ 2005 তাৰিখৰ মূলধন | 85,330 |
| যোগ, আহৰণ | 10,000 |
| 95,330 | |
| বাদ, বছৰৰ অতিৰিক্ত মূলধন | [15,000] |
| সংযোজিত মূলধন | 80,330 |
| বাদ, বছৰটোৰ আৰম্ভণী মূলধন (1 এপ্ৰিল, 2004 তাৰিখৰ মূলধন) | [50,000] |
| বছৰটোৰ উপাৰ্জিত লাভ | 30,330 |

**উদাহৰণ ঃ** 2

মিচেচ বন্দনাই সৰু ছপা প্ৰতিষ্ঠান চলায়। তেওঁ ব্যৱসায়ৰ আৱশ্যকীয় কেৱল কিছুমান লেনদেনহে লিপিৱদ্ধ কৰে। 1 এপ্ৰিল, 2004 তাৰিখৰ তেওঁৰ হিচাপৰ তথ্যৰ পৰা তলত দিয়া সম্পত্তি আৰু দেনাসমূহ দেখা যায়- ছপা যন্ত্ৰপাতি 5,00,000 টকা, ভৱন 2,00,000 টকা, মজুত 50,000 টকা, বেংক উদ্বৃত্ত 65,600 টকা, নগত হাতে জমা 7,980 টকা, গ্ৰাহকৰ পৰা পাবলগীয়া 20,350 টকা, পাওনাদাৰক দিবলগীয়া 75,340 টকা আৰু অপ্ৰদত্ত মজুৰী 5,000 টকা। তেওঁ ব্যক্তিগত খৰচৰ বাবে মাহিলী 8000 হিচাপে প্ৰতিমাহে আহৰণ কৰে। তেওঁ বছৰটোত অতিৰিক্ত মূলধন 15,000 টকা বিনিয়োগ কৰে।

31 মাৰ্চ 2005 তাৰিখত তেওঁৰ আৰ্থিক অৱস্থা তলত দিয়া ধৰণৰ —

ছপাযন্ত্ৰ 5,25,000 টকা, ভৱন 2,00,000 টকা, মজুত পণ্য 55,000 টকা, বেংক জমা 40,380 টকা, নগদ হাতে জমা 15,340 টকা, গ্ৰাহকৰ পৰা পাবলগীয়া 17,210 টকা, পাওনাদাৰক দিবলগীয়া 65,680 টকা।

আৰ্থিক অৱস্থাৰ বিবৃতি পদ্ধতি ব্যৱহাৰ কৰি মিচেচ বন্দনাৰ বছৰটোৰ লাভ নিৰ্ণয় কৰা।

**সমাধান ঃ**

**মিচেচ বন্দনাৰ হিচাপ বহীত —**

**1 এপ্ৰিল 2004 আৰু 31 মাৰ্চ 2005 তাৰিখৰ আৰ্থিক অৱস্থাৰ বিবৃতি**

| দেনা | 1 এপ্ৰিল 2004 (টকা) | 31 মাৰ্চ 2005 (টকা) | সম্পত্তি | 1 এপ্ৰিল 2004 (টকা) | 31 মাৰ্চ 2005 (টকা) |
|---|---|---|---|---|---|
| পাওনাদাৰ | 75,340 | 65,680 | ছপা যন্ত্ৰপাতি | 5,00,000 | 5,25,000 |
| অপ্ৰদত্ত মজুৰি | 5,000 | -- | ভৱন | 2,00,000 | 2,00,000 |
| মূলধন | 7,63,590 | 7,87,250 | দেনাদাৰ | 20,350 | 17,210 |
| (সন্তুলিত পৰিমাণ) | | | মজুত পণ্য | 50,000 | 55,000 |
| | | | বেংক জমা | 65,600 | 40,380 |
| | | | নগদ হাতে জমা | 7,980 | 15,340 |
| | 8,43,930 | 8,52,930 | | 8,43,930 | 8,52,930 |

31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ লাভ বা লোকচান বিবৃতি

| | বিৱৰণ | পৰিমাণ (টকা) |
|---|---|---|
| | 31 মাৰ্চ 2005 তাৰিখৰ মূলধন | 7,87,250 |
| | | (8000 × 12) |
| যোগ, | বছৰটোৰ আহৰণ | 96,000 |
| | | 8,83,250 |
| বাদ, | বছৰৰ অতিৰিক্ত মূলধন বিনিয়োগ | (15,000) |
| | সংযোজিত মূলধন | 8,68,250 |
| বাদ, | 1 এপ্ৰিল 2004 তাৰিখৰ মূলধন | (7,63,590) |
| | বছৰটোৰ উপাৰ্জিত লাভ | 1,04,660 |

### 11.3.2. আৰ্থিক অৱস্থাৰ বিবৃতি আৰু উদ্বৃত্ত পত্ৰৰ মাজত পাৰ্থক্য (Difference between Statement of Affairs and Balance Sheet) ঃ

আৰ্থিক অৱস্থাৰ বিবৃতি আৰু উদ্বৃত্ত পত্ৰ দুয়োটাই ব্যৱসায় প্ৰতিষ্ঠানৰ নিৰ্দ্দিষ্ট তাৰিখৰ সম্পত্তি আৰু দেনাৰ পৰিমাণ দেখুৱায়। তথাপিও দুয়োৰে মাজত কিছুমান মূল পাৰ্থক্য দেখা যায়। আৰ্থিক অৱস্থাৰ বিবৃতি অসম্পূৰ্ণ নথীৰ পৰা প্ৰস্তুত কৰা হয় আৰু ইয়াত সম্পত্তিসমূহ আনুমানিক ভিত্তিত লোৱা হয়। উদ্বৃত্ত পত্ৰ হিচাপ ৰক্ষণৰ দ্বি-প্ৰবিষ্টি পদ্ধতিৰ ভিত্তিত প্ৰস্তুত কৰা হয় আৰু সকলোবোৰ সম্পত্তি আৰু দেনাৰ পৰিমাণ খতিয়ন হিচাপৰ জৰিয়তে পৰীক্ষা কৰিব পাৰি। গতিকে উদ্বৃত্ত পত্ৰ আৰ্থিক অৱস্থাৰ বিবৃতিতকৈ অধিক নিৰ্ভৰযোগ্য। আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰাৰ উদ্দেশ্য হৈছে সেই তাৰিখৰ মূলধন হিচাপৰ পৰিমাণ নিৰ্ণয় কৰা য'ত নেকি উদ্বৃত্ত পত্ৰ ব্যৱসায়ৰ নিৰ্দ্দিষ্ট তাৰিখৰ আৰ্থিক অৱস্থা নিৰ্ণয়ৰ কাৰণে প্ৰস্তুত কৰা হয়। সম্পত্তি আৰু দেনাৰ কোনো বিষয় আৰ্থিক অৱস্থাৰ বিবৃতিৰ পৰা বাদ পৰিব পাৰে আৰু বাদ পৰি যোৱা এনে সম্পত্তি বা দেনাৰ পৰিমাণ ধৰা পেলাব নোৱাৰি কাৰণ বাদ পৰি যোৱা পৰিমাণ মূলধনৰ লগত সংযোজন হৈ দুয়োটা পক্ষ মিলি যায়। উদ্বৃত্ত পত্ৰৰ ক্ষেত্ৰত কোনো সম্পত্তি বা দেনা বাদ পৰি যোৱাৰ সম্ভাৱনা অতি কম কাৰণ, বিষয় বাদ পৰি গ'লে উদ্বৃত্ত পত্ৰৰ দুয়োটা পক্ষ মিলি নাযায় আৰু হিচাপ ৰক্ষকে বাদ পৰি যোৱা এনে বিষয়সমূহ হিচাপৰতথ্যৰ পৰা বিচাৰি উলিয়ায়।

এই পাৰ্থক্যসমূহ তলত তালিকা আকাৰে দেখুওৱা হ'ল —

| পাৰ্থক্যৰ কাৰণ | আৰ্থিক অৱস্থাৰ বিবৃতি | উদ্বৃত্ত পত্ৰ |
|---|---|---|
| নিৰ্ভৰযোগ্যতা | যিহেতু এই বিবৃতি অসম্পূৰ্ণ তথ্যৰ পৰা প্ৰস্তুত কৰা হয়, ই কম নিৰ্ভৰযোগ্য। | যিহেতু এই বিবৃতি দ্বি-প্ৰবিষ্টিৰ তথ্যৰ পৰা প্ৰস্তুত কৰা হয়, ই অধিক নিৰ্ভৰযোগ্য। |
| উদ্দেশ্য | আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰাৰ উদ্দেশ্য হৈছে নিৰ্দ্দিষ্ট তাৰিখৰ মূলধন হিচাপৰ উদ্বৃত্ত নিৰ্ণয় কৰা। | ইয়াৰ উদ্দেশ্য হৈছে ব্যৱসায়ৰ নিৰ্দ্দিষ্ট তাৰিখৰ আৰ্থিক অৱস্থা নিৰ্ণয় কৰা। |
| বাদ পৰি যোৱা বিষয় | বাদ পৰি যোৱা সম্পত্তি আৰু দেনাসমূহ সহজে ধৰা পেলাব নোৱাৰি। | বাদ পৰি যোৱা সম্পত্তি আৰু দেনাসমূহ সহজে ধৰা পেলাব পাৰি আৰু তথ্যৰ পৰা বিচাৰি উলিয়াব পাৰি। |

**তথ্য 11.3 ঃ আৰ্থিক অৱস্থাৰ বিবৃতি আৰু উদ্বৃত্ত পত্ৰৰ তুলনা**

**তোমালোকে নিজে চেষ্টা কৰিবা**

তোমাৰ স্থানীয় এজন সৰু ব্যৱসায়ী চিনাক্ত কৰা, তেওঁ অনুসৰণ কৰা হিচাপ পদ্ধতিৰ বিষয়ে শুধিবা। যদি তেওঁ দ্বি-প্ৰবিষ্টি অনুসৰি হিচাপ নাৰাখে, নৰখাৰ কাৰণবোৰ শুধিবা আৰু লাভ-লোকচান নিৰ্ণয়ৰ পদ্ধতিও জানি ল'বা।

## 11.4 ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰি (Preparing Trading and Profit and Loss Account and Balance Sheet)

ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰিবলৈ ক্ৰয়, বিক্ৰয়, আয়, ব্যয়, সম্পত্তি আৰু দেনা সমূহৰ সম্পূৰ্ণ নথীৰ আৱশ্যক হয়। অসম্পূৰ্ণ নথীৰ ক্ষেত্ৰত কিছুমান বিষয় যেনে ঃ দেনাদাৰ, পাওনাদাৰ, নগদ ক্ৰয় আৰু বিক্ৰয়, অন্যান্য নগদ পৰিশোধ আৰু প্ৰাপ্তি আদিৰ সবিশেষ বিৱৰণ সহজতে পাব পাৰি। কিন্তু কিছুমান বিষয় দ্বি-প্ৰবিষ্টিৰ নীতি অনুসৰণ কৰি পৰোক্ষভাৱে নিৰ্ণয় কৰিব লগীয়া হয়। সাধাৰণতে গণনা কৰিব লগীয়া লুপ্ত বিষয়বোৰ তলত দিয়া হ'ল—

- আৰম্ভণী মূলধন
- বাকী ক্ৰয়
- বাকী বিক্ৰয়
- স্বীকৃতি প্ৰদান কৰা প্ৰদেয় বিল
- প্ৰাপ্ত হোৱা প্ৰাপ্য বিল
- পাওনাদাৰক পৰিশোধ
- দেনাদাৰে কৰা পৰিশোধ
- অন্যান্য নগদ বা বেংকৰ লগত জড়িত বিষয়

তোমালোকে জানা যে বছৰৰ আৰম্ভণীত আৰ্থিক অৱস্থাৰ বিবৃতি প্ৰস্তুত কৰি আৰম্ভণী মূলধন নিৰ্ণয় কৰা হ'য়। অন্যান্য বিষয়ৰ বাবে লুপ্ত তথ্য নিৰ্ণয় কৰিবলৈ কেনেকৈ মুঠ দেনাদাৰ হিচাপ, মুঠ পাওনাদাৰ হিচাপ, মুঠ প্ৰাপ্য বিল আৰু মুঠ প্ৰদেয় বিল হিচাপ আৰু নগদ বহীৰ সহায় লোৱা হয়, সেই বিষয়ে আমি আলোচনা কৰিম।

### 11.4.1. বাকী ক্ৰয় নিৰ্ণয় (Ascertainment of Credit Purchase)

সাধাৰণতে বাকী ক্ৰয়ৰ পৰিমাণ অসম্পূৰ্ণ নথীত পোৱা নাযায়। এইটোও সম্ভৱ যে পাওনাদাৰৰ লগত জড়িত আন কিছুমান নথীও লুপ্ত থাকিব পাৰে। গতিকে মুঠ পাওনাদাৰ হিচাপ প্ৰস্তুত কৰি, (আৰ্হি 11.4 তথ্যত দিয়া হৈছে) বাকী ক্ৰয় বা অন্য পাওনাদাৰৰ লগত জড়িত কোনো লুপ্ত নথী সম্ভলিত তথ্য হিচাপে নিৰ্ণয় কৰিব পাৰি।

মুঠ পাওনাদাৰ হিচাপ

ডে. ক্রে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | নগদ প্ৰদান | | .......... | | আৰম্ভণী উদ্বৃত্ত | | .......... |
| | বেংক (প্ৰদান কৰা চেক) | | .......... | | বেংক (প্ৰত্যাখ্যান হোৱা চেক) | | .......... |
| | প্ৰদেয় বিল (স্বীকৃতি প্ৰদান কৰা বিল) | | .......... | | প্ৰদেয় বিল (প্ৰত্যাখ্যান হোৱা বিল) | | .......... |
| | প্ৰাপ্ত বাট্টা | | .......... | | বাকী ক্ৰয় | | .......... |
| | ক্ৰয় ফিৰৎ | | .......... | | | | |
| | সামৰণী উদ্বৃত্ত | | .......... | | | | |
| | | | XXX | | | | XXX |

**তথ্য 11.4 ঃ** পাওনাদাৰ হিচাপৰ আহি

উদাহৰণ স্বৰূপে, মেচাৰ্চ কিচন ফুড চাপ্লায়াৰ্চৰ লেনদেনসমূহ তলত দিয়া হ'ল-

| | |
|---|---|
| পাওনাদাৰৰ আৰম্ভণী উদ্বৃত্ত | 40,000 (টকা) |
| পাওনাদাৰৰ সামৰণী উদ্বৃত্ত | 50,000 (টকা) |
| পৰিশোধ কৰা নগদ ধন | 85,000 (টকা) |
| প্ৰাপ্ত বাট্টা | 2,000 (টকা) |

মুঠ পাওনাদাৰ হিচাপ তলত দিয়া ধৰণে প্ৰস্তুত কৰা হ'ব ঃ

কিচন ফুড চাপ্লায়াৰ্চৰ বহীত

মুঠ পাওনাদাৰ হিচাপ

ডে. ক্রে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | নগদ | | 85,000 | | আৰম্ভণী উদ্বৃত্ত | | 40,000 |
| | বাট্টা | | 2,000 | | বাকী ক্ৰয় (সন্তুলীত পৰিমাণ) | | 97,000 |
| | সামৰণী উদ্বৃত্ত | | 50,000 | | | | |
| | | | 1,37,000 | | | | 1,37,000 |

### 11.4.2. বাকী বিক্ৰয় নিৰ্ণয় (Ascertainment of Credit Sales)

সাধাৰণতে বাকী বিক্ৰয়ৰ পৰিমাণো অসম্পূৰ্ণ নথিত পোৱা নাযায়। দেনাদাৰৰ লগত জড়িত কিছুমান অন্য নথিও লুপ্ত থাকিব পাৰে। গতিকে, যদি 11.5 তথ্যত দেখুওৱা ধৰণে মুঠ দেনাদাৰ হিচাপ প্ৰস্তুত কৰা হয় তেন্তে বাকী বিক্ৰয় বা দেনাদাৰৰ লগত জড়িত অন্য লুপ্ত নথি, যি লাগে, সন্তুলিত পৰিমাণ হিচাপে নিৰ্ণয় কৰিব পাৰি।

ডে. মুঠ দেনাদাৰ হিচাপ ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | .......... | | নগদ (প্ৰাপ্ত টকা) | | .......... |
| | | | | | বেংক (প্ৰাপ্ত চেক) | | .......... |
| | প্ৰাপ্য বিল (প্ৰত্যাখান হোৱা বিল) | | .......... | | প্ৰদেয় বাট্টা | | .......... |
| | বেংক (প্ৰত্যাখান হোৱা চেক) | | .......... | | অনুদ্ধাৰণীয় ঋণ | | .......... |
| | বাকী বিক্ৰয় (সন্তুলিত পৰিমাণ ) | | .......... | | বিক্ৰয় ফিৰৎ প্ৰাপ্য | | .......... |
| | | | | | বিল (প্ৰাপ্ত হোৱা বিল) | | .......... |
| | | | | | সামৰণী উদ্বৃত্ত | | .......... |
| | | | X X X | | | | X X X |

**তথ্য 11.5 ঃ মুঠ দেনাদাৰ হিচাপৰ আৰ্হি**

মুঠ দেনাদাৰ হিচাপৰ পৰা নিৰ্ণয় কৰা বাকী বিক্ৰয়ৰ পৰা বিক্ৰয় ফিৰৎ বাদ দি প্ৰকৃত বাকী বিক্ৰয় পোৱা যায়।

উদাহৰণ স্বৰূপে, মোহনলাল ট্ৰেডাৰ্চৰ হিচাপ বহীৰ পৰা তলৰ নথিসমূহ পোৱা যায় ঃ

| | |
|---|---|
| 1 এপ্ৰিল, 2005 তাৰিখত দেনাদাৰ | 50,000 টকা |
| 31 মাৰ্চ, 2006 তাৰিখত দেনাদাৰ | 70,000 টকা |
| প্ৰদান কৰা বাট্টা | 1,000 টকা |
| প্ৰাপ্য বিল | 30,000 টকা |
| অনুদ্ধাৰণীয় ঋণ | 3,000 টকা |

মুঠ দেনাদাৰ হিচাপ তলত দিয়া ধৰণে প্ৰস্তুত কৰা হ'ব ঃ

মোহনলাল ট্ৰেডাৰ্চৰ বহীত
মুঠ দেনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 2005 1 এপ্ৰিল | আৰম্ভণী উদ্বৃত্ত | | 50,000 | 31 মাৰ্চ 2006 | নগদ | | 60,000 |
| 2006 31 মাৰ্চ | বাকী বিক্ৰয় (সন্তুলিত পৰিমাণ) | | 1,14,000 | | বাট্টা | | 1,000 |
| | | | | | প্ৰাপ্য বিল | | 30,000 |
| | | | | | অনুদ্ধাৰণীয় ঋণ | | 3,000 |
| | | | | | সামৰণী উদ্বৃত্ত | | 70,000 |
| | | | 1,64,000 | | | | 1,64,000 |

### *11.4.3. প্ৰাপ্য বিল আৰু প্ৰদেয় বিল নিৰ্ণয় (Ascertainment of Bills Receivable and Bills Payable)*

কেতিয়াবা প্ৰাপ্যবিল আৰু প্ৰদেয় বিলৰ লগত সম্পৰ্ক থকা সকলোবোৰ তথ্য বিশদভাৱে দিয়া থাকে কিন্তু বছৰটোত প্ৰাপ্ত বিলৰ পৰিমাণ আৰু স্বীকৃতি প্ৰদান কৰা বিলৰ পৰিমাণ দিয়া নাথাকে। এনে পৰিস্থিতিত মুঠ প্ৰাপ্য বিল হিচাপ আৰু মুঠ প্ৰদেয় বিল হিচাপ প্ৰস্তুত কৰিব পাৰি আৰু তাৰ দ্বাৰা লুপ্ত নথি সন্তুলিত পৰিমাণ হিচাপে নিৰ্ণয় কৰিব পাৰি। মুঠ প্ৰাপ্য বিল হিচাপ আৰু মুঠ প্ৰদেয় বিল হিচাপৰ আৰ্হি যথাক্ৰমে 11.6 নথি আৰু 11.7 নথিত তলত দেখুওৱা হ'ল -
উদাহৰণ স্বৰূপে তলৰ নথিসমূহ মেচাৰ্চ এচ, এচ, সেনাপতিৰ হিচাপ বহীৰ পৰা পোৱা হ'ল --

মুঠ প্ৰাপ্য বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | .......... | | বেংক (ধনপ্ৰাপ্তি হোৱা বিল) | | .......... |
| | বিভিন্ন দেনাদাৰ (প্ৰাপ্ত বিল) | | .......... | | বিভিন্ন দেনাদাৰ (প্ৰত্যাখিত বিল) | | .......... |
| | | | | | সামৰণী উদ্বৃত্ত | | .......... |
| | | | XXX | | | | XXX |

**তথ্য11.6ঃ প্ৰাপ্য বিল হিচাপৰ আৰ্হি**

মুঠ প্ৰদেয় বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | বেংক (পৰিশোধ কৰা বিল) | | ........ | | আৰম্ভণী উদ্বৃত্ত | | ......... |
| | বিভিন্ন পাওনাদাৰ (প্ৰত্যাখান কৰা বিল) | | ........ | | বিভিন্ন পাওনাদাৰ (স্বীকৃতি প্ৰদান কৰা বিল) | | ......... |
| | সামৰণী উদ্বৃত্ত | | ........ | | | | |
| | | | XXX | | | | XXX |

**তথ্য 11.7 ঃ প্ৰদেয় বিল হিচাপৰ আৰ্হি**

| | |
|---|---|
| আৰম্ভণী প্ৰাপ্য বিল | 5,000 টকা |
| আৰম্ভণী প্ৰদেয় বিল | 37,000 টকা |
| প্ৰত্যাখান হোৱা প্ৰাপ্য বিল | 2,000 টকা |
| প্ৰত্যাখান হোৱা প্ৰদেয় বিল | 66,750 টকা |
| সামৰণী প্ৰদেয় বিল | 52,000 টকা |
| বছৰটোৰ সংগ্ৰহ হোৱা বিল | 12,000 টকা |
| সামৰণী প্ৰাপ্য বিল | 4,000 টকা |

প্ৰাপ্য বিল হিচাপ আৰু প্ৰদেয় বিল হিচাপ তলত দিয়া ধৰণে প্ৰস্তুত কৰা হ'ব ঃ

মুঠ প্ৰাপ্য বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 5,000 | | বিভিন্ন দেনাদাৰ (প্ৰত্যাখান হোৱা বিল) | | 2,000 |
| | বিভিন্ন দেনাদাৰ (প্ৰাপ্ত বিল) (সন্তুলিত অংক) | | 13,000 | | বেংক (সংগ্ৰহ হোৱা বিল) | | 12,000 |
| | | | | | সামৰণী উদ্বৃত্ত | | 4,000 |
| | | | 18,000 | | | | 18,000 |

মুঠ প্ৰদেয় বিল হিচাপ

ডে. ক্রে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | বেংক (প্ৰদান কৰা বিলৰ ধন) | | 66,750 | | আৰম্ভণী উদ্বৃত্ত | | 37,500 |
| | সামৰণী উদ্বৃত্ত | | 52,500 | | বিভিন্ন পাওনাদাৰ (স্বীকৃতি প্ৰদান কৰা বিল) (সন্তুলিত পৰিমাণ ) | | 81,750 |
| | | | 1,19,250 | | | | 1,19,250 |

## তুমি কি বুজিলা চোৱা – 1

শুদ্ধ উত্তৰত (✓) চিহ্নেৰে চিনাক্ত কৰা ঃ

1. হিচাপকৰণৰ অসম্পূৰ্ণ নথি কৌশল হৈছে -
   (ক) বিজ্ঞান সন্মত (খ) অবিজ্ঞান সন্মত
   (গ) অপ্ৰণালীবদ্ধ (ঘ) দুয়ো (খ) আৰু (গ)
2. আৰম্ভণী মূলধন ———— প্ৰস্তুত কৰি নিৰ্ণয় কৰা হয়
   (ক) মুঠ দেনাদাৰ হিচাপ (খ) মুঠ পাওনাদাৰ হিচাপ
   (গ) নগদ হিচাপ (ঘ) আৰম্ভণী আৰ্থিক অৱস্থাৰ বিবৃতি
3. বাকী ক্ৰয় নিৰ্ণয় কৰিবলৈ ———— প্ৰস্তুত কৰা হয়
   (ক) মুঠ পাওনাদাৰ হিচাপ (খ) মুঠ দেনাদাৰ হিচাপ
   (গ) নগদ হিচাপ (ঘ) আৰম্ভণী আৰ্থিক অৱস্থাৰ বিবৃতি
4. যদি আৰম্ভণী মূলধন 60,000 টকা, আহৰণ 5,000 টকা, অতিৰিক্ত বিনিয়োগ কৰা মূলধন 10,000 টকা, সামৰণী মূলধন 90,000 টকা হ'য়, উপাৰ্জন কৰা লাভৰ পৰিমাণ হ'ব।
   (ক) 20,000 টকা (খ) 25,000 টকা
   (গ) 30,000 টকা (ঘ) 40,000 টকা

### 11.4.4. **নগদ টকাৰ সংক্ষিপ্ত বিৰৰণীৰ জৰিয়তে লুপ্ত তথ্য নিৰ্ণয়** (Ascertainment of Missing Information Through Summary of Cash)

কেতিয়াবা পাওনাদাৰক পৰিশোধ কৰা ধন বা দেনাদাৰৰ পৰা প্ৰাপ্ত ধন বা সামৰণী নগদ বা বেংক উদ্বৃত্ত লুপ্ত থাকিব পাৰে। প্ৰাপ্তি বা পৰিশোধৰ কোনো লুপ্ত নথি নিৰ্ণয় কৰিবলৈ বছৰটোৰ ভিতৰত হোৱা সকলোবোৰ প্ৰাপ্তি আৰু পৰিশোধ দেখুৱাই আমি নগদ বহীৰ সংক্ষিপ্ত বিৰৰণী প্ৰস্তুত কৰিব পাৰো আৰু ইয়াৰ পৰা পোৱা সামৰণী উদ্বৃত্তই লুপ্ত নথি হিচাপে লোৱা হ'ব।

যদি পাওনাদাৰক পৰিশোধ কৰা টকাৰ পৰিমাণ আৰু দেনাদাৰৰ পৰা প্ৰাপ্ত হোৱা টকাৰ পৰিমাণ দুয়োটা লুপ্ত থাকে তেন্তে ইয়াৰ যিকোনো এটা প্ৰথমতে মুঠ পাওনাদাৰ বা মুঠ দেনাদাৰ হিচাপৰ পৰা, আৱশ্যক অনুসৰি, উলিয়াব পাৰি আৰু আনটো নথি নগদ বহীৰ বিৰৰণীৰ পৰা ওপৰত দিয়া ধৰণে নিৰ্ণয় কৰিব পাৰি।

লুপ্ত নথিসমূহ পোৱাৰ পাছত পোনপোটীয়াভাৱে বা উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰি চুড়ান্ত হিচাপ প্ৰস্তুত কৰা হয়। উদ্বৃত্ত মিলন পত্ৰৰ বিষয় সমূহ আৰু এই নথিৰ উৎস সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

| | | |
|---|---|---|
| 1. | সামৰণী সম্পত্তি (মজুত পণ্যৰবাহিৰে) আৰু দেনাসমূহ | সামৰণী অনুসূচী |
| 2. | আৰম্ভণী সম্পত্তি (আৰম্ভণী মজুত পণ্যৰ আৰম্ভণী অনুসূচী) আৰু দেনাসমূহ | |
| 3. | ক্ৰয় | বাকী ক্ৰয় মুঠ পাওনাদাৰ হিচাপৰ পৰা আৰু নগদ ক্ৰয় নগদৰ সংক্ষিপ্ত বিৰৰণীৰ পৰা |
| 4. | বিক্ৰয় | বাকী বিক্ৰয় মুঠ দেনাদাৰ হিচাপৰ পৰা আৰু নগদ বিক্ৰয় নগদৰ সংক্ষিপ্ত বিৰৰণীৰ পৰা |
| 5. | আৰম্ভণী মূলধন | আৰম্ভণী আৰ্থিক অৱস্থাৰ বিবৃতিৰ পৰা |
| 6. | ব্যয় আৰু ৰাজহ | নগদৰ সংক্ষিপ্ত বিৰৰণী আৰু সহায়কাৰী নথীৰপৰা |
| 7. | লোকচান আৰু লাভ | সকলোবোৰ হিচাপ আৰু বিভিন্ন নথীৰপৰা |
| 8. | প্ৰাপ্য বিলৰ প্ৰাপ্তি | মুঠ প্ৰাপ্য বিল হিচাপৰ পৰা |
| 9. | প্ৰদেয় বিলৰ স্বীকৃতি | মুঠ প্ৰদেয় বিল হিচাপৰ পৰা |
| 10 | নগদ/বেংক উদ্বৃত্ত | নগদৰ বিৰৰণীৰ পৰা |

**নথী 11.7 :** *লুপ্ত তথ্যৰ নিৰ্ণয়*

**উদাহৰণ 3**

31মাৰ্চ 2005 তাৰিখত অন্ত পৰা বছৰৰ বাবে মিঃ অমিতৰ হিচাপৰ পৰা মুঠ ক্ৰয় আৰু মুঠ বিক্ৰয়ৰ পৰিমাণ নিৰ্ণয় কৰা ঃ

| | |
|---|---|
| 1 এপ্ৰিল, 2004 তাৰিখত মুঠ দেনাদাৰ | 40,000 টকা |
| 1 এপ্ৰিল, 2004 তাৰিখত মুঠ পাওনাদাৰ | 50,000 টকা |
| 1 এপ্ৰিল, 2004 তাৰিখত মুঠ প্ৰাপ্য বিল | 30,000 টকা |
| 1 এপ্ৰিল, 2004 তাৰিখত মুঠ প্ৰদেয় বিল | 45,000 টকা |
| প্ৰাপ্ত বাট্টা | 5,000 টকা |
| অনুদ্ধাৰণীয় ঋণ | 2,000 টকা |
| বিক্ৰয় ফিৰৎ | 4,000 টকা |
| প্ৰদান কৰা বাট্টা | 3,000 টকা |
| নগদ বিক্ৰয় | 10,000 টকা |
| নগদ ক্ৰয় | 8,000 টকা |
| 31 মাৰ্চ 2005 তাৰিখৰ মুঠ দেনাদাৰ | 80,000 টকা |
| দেনাদাৰৰ পৰা নগদ প্ৰাপ্তি | 1,00,000 টকা |
| পাওনাদাৰক নগদ প্ৰদান | 80,000 টকা |
| প্ৰাপ্য বিলৰ বিপৰীতে ধন প্ৰাপ্তি | 25,000 টকা |
| প্ৰদেয় বিলৰ বিপৰীতে ধন প্ৰদান | 40,000 টকা |
| 31 মাৰ্চ 2005 তাৰিখত মুঠ পাওনাদাৰ | 40,000 টকা |
| 31 মাৰ্চ 2005 তাৰিখত প্ৰদেয় বিল | 50,000 টকা |
| 31 মাৰ্চ 2005 তাৰিখত প্ৰাপ্য বিল | 35,000 টকা |

**সমাধান ঃ**

মুঠ প্ৰাপ্য বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 1-4-2004 | আৰম্ভণী উদ্বৃত্ত | | 30,000 | 31-3-2005 | নগদ | | 25,000 |
| 31-3-2005 | মুঠ দেনাদাৰ (সন্তুলিত পৰিমাণ) | | 30,000 | 31-3-2005 | সামৰণী উদ্বৃত্ত | | 35,000 |
| | | | 60,000 | | | | 60,000 |

মুঠ প্ৰদেয় বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 31-3-2005 | নগদ | | 40,000 | 1-4-2004 | আৰম্ভণী উদ্বৃত | | 45,000 |
| 31-3-2005 | সামৰণী উদ্বৃত্ত | | 50,000 | 31-3-2005 | মুঠ পাওনাদাৰ (সন্তুলিত পৰিমাণ) | | 45,000 |
| | | | 90,000 | | | | 90,000 |

মুঠ দেনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 1-4-2004 | আৰম্ভণী উদ্বৃত্ত | | 40,000 | 31-3-2005 | অনুদ্ধাৰণীয় ঋণ | | 2,000 |
| 31-3-2005 | বিক্ৰয় (বাকী) (সন্তুলিত পৰিমাণ ) | | 1,79,000 | ,, | বিক্ৰয় ফিৰৎ | | 4,000 |
| | | | | ,, | প্ৰদান কৰা বাট্টা | | 3,000 |
| | | | | ,, | নগদ | | 1,00,000 |
| | | | | ,, | প্ৰাপ্য বিল (প্ৰাপ্য বিল হিচাপৰ পৰা) | | 30,000 |
| | | | | ,, | সামৰণী উদ্বৃত্ত | | 80,000 |
| | | | 2,19,000 | | | | 2,19,000 |

মুঠ পাওনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 31-3-2005 | প্ৰাপ্ত বাট্টা | | 5,000 | 1-4-2004 | আৰম্ভণী উদ্বৃত্ত | | 50,000 |
| ,, | নগদ | | 80,000 | 31-3-2005 | ক্ৰয় (বাকী) (সন্তুলিত পৰিমাণ) | | 1,20,000 |
| ,, | প্ৰদেয় বিল (প্ৰদেয় | | 45,000 | | | | |
| ,, | বিল হিচাপৰ পৰা) | | | | | | |
| | সামৰণী উদ্বৃত্ত | | 40,000 | | | | |
| ,, | | | 1,70,000 | | | | 1,70,000 |

টোকা ঃ

1. মুঠ পাওনাদাৰ হিচাপৰ পৰা বাকী ক্ৰয় 1,20,000 টকা গণনা কৰা হৈছে। নগদ ক্ৰয়ৰ পৰিমাণ 8,000 টকা। গতিকে মুঠ ক্ৰয়ৰ পৰিমাণ হ'ব 1,20,000 টকা + 8,000 টকা = 1,28,000 টকা।
2. বাকী বিক্ৰয় মুঠ দেনাদাৰ হিচাপৰ পৰা 1,79,000 টকা গণনা কৰা হৈছে আৰু নগদ বিক্ৰয় 10,000 টকা দিয়া আছে। মুঠ বিক্ৰয়ৰ পৰিমাণ হ'ব 1,79,000 টকা+10,000 টকা =1,89,000 টকা।

**উদাহৰণ 4**

মিচেচ চুধাৰ তলত দিয়া হিচাপৰ তথ্যৰ পৰা প্ৰকৃত বিক্ৰয় গণনা কৰা ঃ

| | |
|---|---|
| 1 এপ্ৰিল, 2005 তাৰিখৰ দেনাদাৰ | 65,000 টকা |
| 31 মাৰ্চ, 2006 তাৰিখৰ দেনাদাৰ | 50,000 টকা |
| 1 এপ্ৰিল, 2005 তাৰিখৰ প্ৰাপ্য বিলৰ পৰিমাণ | 23,000 টকা |
| 31 মাৰ্চ 2006 তাৰিখৰ প্ৰাপ্য বিলৰ পৰিমাণ | 29,000 টকা |
| দেনাদাৰৰ পৰা নগদ প্ৰাপ্তি | 3,02,000 টকা |
| প্ৰদান কৰা বাট্টা | 8,000 টকা |
| প্ৰাপ্যবিলৰ বিপৰীতে নগদ প্ৰাপ্তি | 21,000 টকা |
| অনুদ্ধাৰণীয় ঋণ | 14,000 টকা |
| প্ৰত্যাখান হোৱা প্ৰাপ্য বিল | 20,000 টকা |
| নগদ বিক্ৰয় | 2,25,000 টকা |
| বিক্ৰয় ফিৰৎ | 17,000 টকা |

মুঠ প্ৰাপ্য বিল হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 1-4-2005 | আৰম্ভণী উদ্বৃত্ত | | 23,000 | 31-3-2006 | নগদ (প্ৰদান) | | 21,000 |
| 31-3-2006 | দেনাদাৰ (প্ৰাপ্ত বিল) (সন্তুলিত পৰিমাণ ) | | 47,000 | " | প্ৰাপ্য বিল (প্ৰত্যাখান) | | 20,000 |
| | | | | | সামৰণী উদ্বৃত্ত | | 29,000 |
| | | | 70,000 | " | | | 70,000 |

মুঠ দেনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| 1-4-2005 | আৰম্ভণী উদ্বৃত্ত | | 65,000 | 31-3-2006 | নগদ (প্ৰাপ্তি) | | 3,02,000 |
| 31-3-2006 | প্ৰাপ্য বিল (প্ৰত্যাখান) | | 20,000 | ” | প্ৰদান কৰা বাট্টা | | 8,000 |
| 31-3-2006 | বিক্ৰয় (বাকী) (সন্তুলিত পৰিমাণ ) | | 3,53,000 | ” | বিক্ৰয় ফিৰৎ | | 17,000 |
| | | | | ” | অনুদ্ধাৰণীয় ঋণ | | 14,000 |
| | | | | ” | প্ৰাপ্য বিল | | 47,000 |
| | | | | ” | সামৰণী উদ্বৃত্ত | | 50,000 |
| | | | 4,38,000 | | | | 4,38,000 |

**টোকা ঃ**

প্ৰকৃত বিক্ৰী = নগদ বিক্ৰয় + বাকী বিক্ৰয় - বিক্ৰয় ফিৰৎ

= 2,25,000 টকা + 3,53,000 টকা - 17,000 টকা

= 5,61,000 টকা

**উদাহৰণ ঃ** 5

মিঃ ওম প্ৰকাশে তেওঁৰ হিচাপ বহী দ্বি-প্ৰবিষ্টি পদ্ধতি অনুসৰি ৰখা নাছিল। তেওঁৰ বহীৰ পৰা প্ৰাপ্ত তথ্যৰ পৰা 31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ বাবে লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা আৰু সেই তাৰিখত চাফাই যন্ত্ৰপাতিৰ ওপৰত 10% অৰক্ষয় ধাৰ্য কৰি উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

**উদাহৰণ** 6

নগদ টকাৰ সংক্ষিপ্ত বিৱৰণী

ডে. ক্ৰে.

| প্ৰাপ্তি | পৰিমাণ (টকা) | পৰিশোধ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী উদ্বৃত্ত | 8,000 | নগদ ক্ৰয় | 14,000 |
| নগদ বিক্ৰয় | 40,000 | পাওনাদাৰক পৰিশোধ | 20,000 |
| দেনাদাৰৰ পৰা প্ৰাপ্তি | 30,000 | বিভিন্ন ব্যয় | 6,000 |
| | | পৰিবহণ ব্যয় | 2,000 |
| | | আহৰণ | 8,000 |
| | | সামৰণী উদ্বৃত্ত | 28,000 |
| | 78,000 | | 78,000 |

অন্যান্য নথি ঃ

31 মাৰ্চ, 2004

| | 31 মাৰ্চ, 2004 (টকা) | 31 মাৰ্চ, 2005 (টকা) |
|---|---|---|
| দেনাদাৰ | 9,000 | 12,000 |
| পাওনাদাৰ | 14,400 | 6,800 |
| সামগ্ৰীৰ মজুত পণ্য | 10,000 | 16,000 |
| চাফাই যন্ত্ৰপাতি | 40,000 | 40,000 |
| আচবাব | 3,000 | 3,000 |
| বাট্টা প্ৰদান | | 2,400 |
| প্ৰাপ্ত বাট্টা | | 1,700 |

**সমাধান ঃ**

ওম প্ৰকাশৰ হিচাপ বহীত

ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ

৩১ মাৰ্চ, ২০০৫ তাৰিখত অন্তপৰা বছৰৰ

ডে. ক্ৰে.

| বিৱৰণ | পৰিমাণ (টকা) | বিৱৰণ | পৰিমাণ (টকা) |
|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | 10,000 | বিক্ৰয় | 74,400 |
| ক্ৰয় | 28,100 | সামৰণী মজুত পণ্য | 16,000 |
| পৰিবহণ ব্যয় | 2,000 | | |
| লাভ-লোকচান হিচাপলৈ (মুঠ লাভ স্থানান্তৰ) | 50,300 | | |
| | 90,400 | | 90,400 |
| বিভিন্ন ব্যয় | 6,000 | ক্ৰয়-বিক্ৰয় হিচাপৰ পৰা (মুঠ লাভ) | 50,300 |
| প্ৰদেয় বাট্টা | 1,400 | | |
| অৱক্ষয় | 4,000 | প্ৰাপ্ত বাট্টা | 1,700 |
| মূলধন হিচাপলৈ (প্ৰকৃত লাভ স্থানান্তৰ) | 40,600 | | |
| | 52,000 | | 52,000 |

31 মাৰ্চ, 2005 তাৰিখত অন্তপৰা বছৰৰ উদ্বৃত্ত পত্ৰ

| দেনা | | পৰিমাণ (টকা) | সম্পত্তি | | পৰিমাণ (টকা) |
|---|---|---|---|---|---|
| মূলধন | 55,600 | | চাফাই যন্ত্ৰপাতি | 40,000 | |
| যোগ, লাভ | 40,600 | | বাদ, অৱক্ষয় | (4,000) | 36,000 |
| | 96,200 | | | | |
| বাদ, আহৰণ | 8,000 | 88,200 | আচবাব | | 3,000 |
| পাওনাদাৰ | | 6,800 | সামগ্ৰীৰ মজুত পণ্য | | 16,000 |
| | | | দেনাদাৰ | | 12,000 |
| | | | নগদ | | 28,000 |
| | | 95,000 | | | 95,000 |

মুঠ দেনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | আৰম্ভণী উদ্বৃত্ত | | 9,000 | | নগদ | | 30,000 |
| | বিক্ৰয় (বাকী) (সন্তুলিত পৰিমাণ) | | 34,400 | | প্ৰদেয় বাট্টা | | 1,400 |
| | | | | | সামৰণী উদ্বৃত্ত | | 12,000 |
| | | | 43,400 | | | | 43,400 |

মুঠ পাওনাদাৰ হিচাপ

ডে. ক্ৰে.

| তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) | তাৰিখ | বিৱৰণ | জা. পৃ. | পৰিমাণ (টকা) |
|---|---|---|---|---|---|---|---|
| | নগদ | | 20,000 | | আৰম্ভণী উদ্বৃত্ত | | 14,400 |
| | প্ৰাপ্ত বাট্টা | | 1,700 | | ক্ৰয় (বাকী) (সন্তুলিত পৰিমাণ) | | 14,100 |
| | সামৰণী উদ্বৃত্ত | | 6,800 | | | | |
| | | | 28,500 | | | | 28,500 |

31 মাৰ্চ 2004 তাৰিখত আৰ্থিক অৱস্থাৰ বিবৃতি

| দেনা | পৰিমাণ (টকা) | সম্পত্তি | পৰিমাণ (টকা) |
|---|---|---|---|
| পাওনাদাৰ | 14,400 | চাফাই যন্ত্ৰপাতি | 40,000 |
| মূলধন | 55,600 | আচবাব | 3,000 |
| (সন্তুলিত পৰিমাণ) | | সামগ্ৰীৰ মজুত পণ্য | 10,000 |
| | | দেনাদাৰ | 9,000 |
| | | নগদ | 8,000 |
| | 70,000 | | 70,000 |

**উদাহৰণ** 5

মিচেচ সুৰভীয়ে 1 জানুৱাৰী, 2005 তাৰিখে নগদ 50,000 টকা, আচবাব 10,000 টকা, দ্ৰব্য সামগ্ৰী 2000 টকা আৰু যন্ত্ৰপাতি 20,000 টকাৰে ব্যৱসায় আৰম্ভ কৰে। বছৰটোত তেওঁ অতিৰিক্ত মূলধন হিচাপে 50,000 টকা, বিনিয়োগ কৰে আৰু এই টকাৰে বেংক হিচাপ খোলে। তেওঁৰ হিচাপৰ পৰা পোৱা তথ্যৰ পৰা, 31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ বাবে চূড়ান্ত হিচাপ প্ৰস্তুত কৰা --

| | |
|---|---|
| দেনাদাৰৰ পৰা প্ৰাপ্তি | 57,500 টকা |
| নগদ বিক্ৰয় | 45,000 টকা |
| নগদ ক্ৰয় | 25,000 টকা |
| মজুৰি প্ৰদান | 5,000 টকা |
| কৰ্মচাৰীৰ দৰমহা | 17,500 টকা |
| ব্যৱসায়িক ব্যয় | 6,500 টকা |
| কাৰখানাৰ বিদ্যুৎ ব্যয় | 7,500 টকা |
| আহৰণ | 3,000 টকা |
| পাওনাদাৰক নগদ প্ৰদান | 42,000 টকা |
| প্ৰদেয় বাট্টা | 1,200 টকা |
| প্ৰাপ্ত বাট্টা | 3,000 টকা |
| অনুদ্ধাৰণীয় ঋণ অৱলোপণ | 1,300 টকা |
| সামৰণী নগদ উদ্বৃত্ত | 20,000 টকা |

মিচেচ সুৰভীয়ে 2,500 টকাৰ সামগ্ৰী ঘৰুৱা উদ্দেশ্যৰ বাবে ব্যবহাৰ কৰে আৰু এই বিষয়ে হিচাপ বহীত লিপিৰদ্ধ কৰা হোৱা নাই। আচবাবৰ ওপৰত 10% আৰু যন্ত্ৰপাতিৰ ওপৰত বছৰি 20% হিচাপে অৱক্ষয় ধাৰ্য্য কৰিবা। 31 ডিচেম্বৰ 2005 তাৰিখত তেওঁৰ দেনাদাৰৰ পৰিমাণ 70,000 টকা, পাওনাদাৰ 35,000 টকা আৰু মজুত পণ্য 25,000 টকা মূল্যায়ণ কৰা হয়।

***সমাধান***

মিচেচ সুৰভীৰ বহীত
31 মাৰ্চ 2005 তাৰিখত অন্তপৰা বছৰৰ
ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান

ডে. ক্ৰে.

| বিৱৰণ | | পৰিমাণ (টকা) | বিৱৰণ | | পৰিমাণ (টকা) |
|---|---|---|---|---|---|
| আৰম্ভণী মজুত পণ্য | | 20,000 | বিক্ৰয় ঃ | | |
| ক্ৰয় ঃ | | | নগদ | 45,000 | |
| নগদ | 25,000 | | বাকী | 1,30,000 | 1,75,000 |
| বাকী | 80,000 | | সামৰণী মজুত পণ্য | | 25,000 |
| | 1,05,000 | | | | |
| বাদ ঃ ঘৰুৱা ব্যৱহাৰ কৰা | | | | | |
| সামগ্ৰী | 2,500 | 102,500 | | | |
| মজুৰি | | 5,000 | | | |
| কাৰখানাৰ বিদ্যুত ব্যয় | | 7,500 | | | |
| মুঠ লাভ (লাভ-লোকচান হিচাপলৈ স্থানান্তৰ) | | 65,000 | | | |
| | | 2,00,000 | | | 2,00,000 |
